**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-02-2023
**Time :** 0900 Hrs

***Assamese Morning Bulletin***

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে বিশ্বশান্তিৰ বাবে বৰপেটাৰ নসত্ৰত আয়োজিত কৃষ্ণগুৰু একনাম অখণ্ড কীৰ্তনত অংশগ্ৰহণ।

২। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশ মৰ্মে আজি ৰাজ্যজুৰি বাল্য বিবাহৰ বিৰুদ্ধে অভিযান আৰম্ভ।

৩। ৰাজ্য চৰকাৰে চলিত বৰ্ষতেই কোকৰাঝাৰ, নগাঁও আৰু নলবাৰীত নৱনিৰ্মিত চিকিৎসা মহাবিদ্যালয় কাৰ্যক্ষম কৰাৰ প্ৰয়াস কৰিছে বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

৪। জি-টুৱেণ্টি বৈঠকৰ জৰিয়তে জলবায়ু পৰিৱৰ্তনৰ সমস্যাৰ সন্মুখীন হোৱাৰ ক্ষেত্ৰত দেখা দিয়া বিত্তীয় জটিলতা চিনাক্ত কৰা আৰু সমবিকাশ সুনিশ্চিত কৰাৰ বাবে প্ৰয়াস চলোৱা হৈছে বুলি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ মন্তব্য।

*আৰু*

৫। ৰাইজৰ সহায়ক হোৱাকৈ অসম আৰক্ষীৰ মুখ্য কাৰ্যালয় আৰু সকলোবোৰ আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ত প্ৰতিদিনাই একোজনকৈ বিষয়া উপস্থিত থাকিবলৈ আৰক্ষী সঞ্চালকপ্ৰধান জি পি সিঙৰ নিৰ্দেশ।

০০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে বিশ্বশান্তিৰ বাবে বৰপেটাৰ নসত্ৰত আয়োজিত কৃষ্ণগুৰু একনাম অখণ্ড কীৰ্তনত অংশগ্ৰহণ কৰিব। প্ৰধানমন্ত্ৰীয়ে লগতে কৃষ্ণগুৰু সেৱাশ্ৰমৰ ভক্তসকলক উদ্দেশ্যি ভাষণ দিব। অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালকে ধৰি অসম চৰকাৰৰ কেইগৰাকীও মন্ত্ৰীয়ে অংশ ল'ব। উল্লেখযোগ্য যে বিশ্বশান্তিৰ হকে কৃষ্ণগুৰু সেৱাশ্ৰমত যোৱা ৬ জানুৱাৰীৰ পৰা মাহযোৱা কৃষ্ণগুৰু একনাম অখণ্ড কীৰ্তনৰ আয়োজন কৰা হৈছে। ১৯৭৪ চনত বৰপেটাৰ নসত্ৰত প্ৰতিষ্ঠা কৃষ্ণগুৰু সেৱাশ্ৰমে শিক্ষা, স্বাস্থ্য আৰু আধ্যাত্মিকতাৰ ক্ষেত্ৰত বিভিন্ন ধৰণৰ কাম কৰি আহিছে।

০০০০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশ মৰ্মে আজি অসম অৰাক্ষীয়ে ৰাজ্যজুৰি বাল্য বিবাহৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰিব। এই সন্দৰ্ভত কালি মুখ্যমন্ত্ৰীগৰাকীয়ে জিলা আৰক্ষী অধীক্ষকসকলৰ সৈতে ভাৰ্চুৱেল কনফাৰেন্সৰ জৰিয়তে আলোচনা কৰি অধীক্ষকসকলে গ্ৰহণ কৰা ব্যৱস্থাৰ বিষয়ে বুজ লয়। অভিযান সুচাৰুৰূপে পৰিচালনাৰ বাবে মুখ্যমন্ত্ৰীগৰাকীয়ে আৰক্ষী অধীক্ষকসকলক প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰাৰ নিৰ্দেশ দিয়ে। আলোচনাত আৰক্ষী সঞ্চালকপ্ৰধান জি পি সিঙকে ধৰি আন কেইবাগৰাকীও আৰক্ষীৰ শীৰ্ষ বিষয়া উপস্থিত থাকে। উল্লেখযোগ্য যে যিসকল লোকে ১৪ বছৰৰ তলৰ কন্যা শিশুৰ সৈতে বিবাহত

আবদ্ধ হৈছে তেনে লোকক শিশু আতিশয্য প্ৰতিৰোধী আইনৰ অধীনত গ্ৰেপ্তাৰ কৰি বিহিত ব্যৱস্থা লোৱা হ'ব বুলি ইতিমধ্যে মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰিছে।

oooooooooo

ৰাজ্য চৰকাৰে চলিত বৰ্ষতেই কোকৰাঝাৰ, নগাঁও আৰু নলবাৰীত নৱনিৰ্মিতি চিকিৎসা মহাবিদ্যালয় কাৰ্যক্ষম কৰাৰ প্ৰয়াস কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি নৱনিৰ্মিত নগাঁও চিকিৎসা মহাবিদ্যালয় হাস্পতাল আৰু নলবাৰী চিকিৎসা মহাবিদ্যালয় হাস্পতাল পৰিদৰ্শন কৰি ৰাষ্ট্ৰীয় চিকিৎসা আয়োগৰ প্ৰতিনিধি দলৰ আগমণৰ পূৰ্বে চিকিৎসা মহাবিদ্যালয় দুখনৰ যাৱতীয় প্ৰস্তুতিৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে পুৰা নগাঁও চিকিৎসা মহাবিদ্যালয়ত উপস্থিত হৈ চিকিৎসালয়খনৰ আন্তঃবিভাগ, বহিঃবিভাগৰ উপৰি নিৰ্মাণ সম্পূৰ্ণ হোৱা ভৱনসমূহ পৰিদৰ্শন কৰে। তেওঁ লগতে হাস্পতালখনৰ সদস্যসকলৰ সৈতে বিভিন্ন বিষয় সন্দৰ্ভত আলোচনা কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে, ৰাষ্ট্ৰীয় চিকিৎসা আয়োগৰ পৰিদৰ্শনকাৰী দলে ইতিমধ্যে কোকৰাঝাৰ চিকিৎসা মহাবিদ্যালয়খন পৰিদৰ্শন কৰিছে আৰু যিকোনো সময়তে নগাঁও চিকিৎসা মহাবিদ্যালয়খন পৰিদৰ্শন কৰাৰ সম্ভাৱনা আছে। মুখ্যমন্ত্ৰী নলবাৰী চিকিৎসা মহাবিদ্যালয়খন চিকিৎসা আয়োগৰ পৰিদৰ্শনৰ বাবে সাজু হৈ উঠিছে বুলি মন্তব্য কৰি কয় যে, উন্নত ৰাজহুৱা স্বাস্থ্য আন্তঃগাঁথনি তথা শিক্ষাৰ্থীক মান বিশিষ্ট চিকিৎসা শিক্ষা প্ৰদানৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে গুৰুত্ব দিছে।

ooooooooooo

মেঘালয়ত আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিল প্ৰক্ৰিয়া অব্যাহত আছে। ৰাজ্যখনত কালি দক্ষিণ গাৰো পাহাৰ জিলাত মুখ্য নিৰ্বাচনী বিষয়া এফ আৰ খাৰকঙৰে অন্যান্য বিষয়াবৰ্গৰ সৈতে নিৰ্বাচনী প্ৰস্তুতিৰ বুজ লয়। ৰাজ্যখনত ভাৰতীয় জনতা পাৰ্টীয়ে ৬০ জনীয়া প্ৰাৰ্থীৰ তালিকা ঘোষণা কৰিছে। ৩১ জানুৱাৰীত মনোনয়ন দাখিল প্ৰক্ৰিয়া আৰম্ভ হৈছে আৰু ৭ ফেব্ৰুৱাৰীত মনোনয়ন দাখিলৰ অন্তিম দিন ধাৰ্য কৰা হৈছে। তৃণমূল কংগ্ৰেছ, এন পি পি আৰু কংগ্ৰেছ দলেও ৬০ টা সমষ্টিতে প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে। ইউডিপিয়ে ৪৫ গৰাকী প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে।

আনহাতে, নাগালেণ্ড বিধানসভা নিৰ্বাচনৰ বাবেও বিজেপিয়ে ২০ গৰাকী প্ৰাৰ্থীৰ তালিকা ঘোষণা কৰিছে। ৰাজ্যখনৰ এন.ডি. পি.পিয়ে ৪০ খন আসনৰ লগত প্ৰাৰ্থী ঘোষণা কৰিছে আৰু প্ৰায়কেইখন আসন বিজেপিৰ সৈতে প্ৰাক নিৰ্বাচনী মিত্ৰতাৰ সূত্ৰে দলটোক দিয়া হৈছে। দলটোৱে প্ৰথমবাৰৰ বাবে দুগৰাকী মহিলা প্ৰাৰ্থীক প্ৰাৰ্থীত্ব দিছে। উল্লেখযোগ্য যে মেঘালয় আৰু নাগালেণ্ড বিধানসভাৰ ৬০ খন আসনৰ বাবে এটা পৰ্যায়ত অহা ২৭ ফেব্ৰুৱাৰীত নিৰ্বাচন অনুষ্ঠিত হ'ব। ২ মাৰ্চত ফলাফল ঘোষণা কৰা হ'ব।

ইপিনে, ত্ৰিপুৰা বিধানসভাৰ ৬০খন আসনৰ বাবে অহা ১৬ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'বলগীয়া নিৰ্বাচনত ২৫৯ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰাটো চূড়ান্ত হৈছে। কালি মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিনা ৩২ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰাৰ পাছত এই প্ৰাৰ্থীকেইগৰাকী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হোৱাটো চূড়ান্ত হয়।

ooooooooooo

দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱৰ লগত সংগতি ৰাখি কালি তিনিচুকীয়া জিলাৰ অভিভাৱক মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে জিলাখনৰ মাকুমৰ গোপাল কৃষ্ণ বালিকা বিদ্যালয়ত বহিঃমূল্যায়ক হিচাপে উপস্থিত থাকে। মন্ত্ৰীগৰাকীয়ে বিদ্যালয়খনৰ যাৱতীয় নথি পৰ্যবেক্ষণ কৰাৰ লগতে শিক্ষক-শিক্ষয়িত্ৰী, বিদ্যালয় পৰিচালনা সমিতিৰ বিষয়ববীয়া তথা বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময় কৰে। তেওঁ বিদ্যালয়খনৰ

শ্ৰেণী কোঠা, শিকন কক্ষ, পুথিভঁৰাল আৰু চৌহদত স্থাপন কৰা শাকনি আৰু ফলমূল বাগিচা পৰিদৰ্শন কৰাৰ উপৰি বিভিন্ন শ্ৰেণীৰ বাবে অনুষ্ঠিত পৰীক্ষা মূল্যায়ন কৰে। মন্ত্ৰীগৰাকীয়ে গুইজানৰ কস্তুৰবা গান্ধী বালিকা বিদ্যালয়তো বহিঃমূল্যায়ক হিচাপে উপস্থিত থাকি বিদ্যালয়খনৰ ছাত্ৰীসকলৰ শৈক্ষিক তথা সৃজনীশীল প্ৰতিভাৰ উমান লয়।

একেদৰে, বি টি আৰৰ কৃষি বিভাগৰ কাৰ্যবাহী সদস্য ঘনশ্যাম দাসে বহিঃমূল্যায়ক হিচাপে বাক্সা জিলাৰ লক্ষ্মীপুৰ উচ্চ মাধ্যমিক বিদ্যালয় পৰিদৰ্শন কৰে। পুৱাৰ পৰাই তেওঁ বিভিন্ন কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ পাছত গুণোৎসৱৰ মূল্যায়ন পৰীক্ষা পৰিদৰ্শন কৰে। উল্লেখযোগ্য যে এইবাৰ বাক্সা জিলাৰ মুঠ এহেজাৰ ৭২৫খন বিদ্যালয়ত ১ লাখ ১২ হাজাৰতকৈও অধিক ছাত্ৰ-ছাত্ৰীক সামৰি গুণোৎসৱ অনুষ্ঠিত হৈছে। ইপিনে, জিলাখনৰ শ্বহীদ উপেন দাস প্ৰাথমিক বিদ্যালয়, ককলাবাৰী ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ লগতে আন কেইবাখনো বিদ্যালয়ত গুণোৎসৱৰ কাৰ্যসূচী সুকলমে অনুষ্ঠিত হয়।

0000000000

কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল, জলপথ আৰু আয়ুষ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে জি-টুৱেণ্টি সদস্য ৰাষ্ট্ৰগোটৰ প্ৰতিনিধিবৰ্গক বহনক্ষম জীৱন শৈলীক গণ আন্দোলনৰ ৰূপ দিয়াৰ বাবে যৌথভাৱে কাম কৰিবলৈ আহ্বান জনাইছে। ভাৰতৰ জি-টুৱেণ্টিৰ অধ্যক্ষতাৰ অংশ হিচাপে গুৱাহাটীত আয়োজিত বহনক্ষম বিত্ত কাৰ্যগোটৰ প্ৰথমখন সন্মিলনৰ উদ্বোধনী অনুষ্ঠানত ভাষণ দি কালি মন্ত্ৰীগৰাকীয়ে এই আহ্বান জনায়। তেওঁ কয় যে বিশ্বই নিকা আৰু সেউজ সমাজৰ হকে কাম কৰা উচিত। তেওঁ লগতে কাৰ্বন নিৰ্গমনৰ পৰিমাণ হ্ৰাস কৰাৰ বাবে আটাইলৈ আহ্বান জনায়। ভাৰতে ৰাষ্ট্ৰীয় বিকাশৰ হকে বহনক্ষম উন্নয়নৰ প্ৰক্ৰিয়া আকোৱালি লৈছে বুলি শ্ৰী সোণোৱালে প্ৰকাশ কৰে। বহনক্ষম ভৱিষ্যৎ গঢ়াত পৰম্পৰাগত ঔষধৰ ভূমিকা সন্দৰ্ভতো মন্ত্ৰীগৰাকীয়ে আলোকপাত কৰে।

সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত মন্ত্ৰীগৰাকীয়ে কয় যে বিশ্বক দেশৰ চহকী ঐতিহ্যৰ সৈতে পৰিচয় কৰাই দিয়াৰ বাবে জি-টুৱেণ্টি ৰাষ্ট্ৰগোষ্ঠীৰ অধ্যক্ষতা আমাৰ বাবে গৌৰৱৰ বিষয়। তেওঁ কয় যে জলবায়ু পৰিৱৰ্তনে মানৱ জাতিৰ বাবে জটিল পৰিস্থিতিৰ সৃষ্টি কৰিছে আৰু এই আলাপ আলোচনাৰ জৰিয়তে নিশ্চিতভাৱে জলবায়ু পৰিৱৰ্তনৰ সমস্যা সমাধানৰ পথৰ অন্বেষণ কৰিব পৰা যাব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে এই দুদিনীয়া বৈঠকত জলবায়ু পৰিৱৰ্তনৰ সমস্যাৰ সন্মুখীন হোৱাৰ ক্ষেত্ৰত দেখা দিয়া বিত্তীয় জটিলতা চিনাক্ত কৰা আৰু বিশ্বৰ জনসাধাৰণৰ কল্যাণৰ বাবে সমবিকাশ সুনিশ্চিত কৰাৰ বাবে প্ৰয়াস চলোৱা হ'ব। বৈঠকত এই মহান কাৰ্যৰ বাবে ধন সংগ্ৰহৰ স্থায়ী উৎসৰ বিশদ পৰিকল্পনা যুগুতাই উলিওৱা হ'ব বুলিও শ্ৰী সোণোৱালে প্ৰকাশ কৰে। বৈঠকত জি-টুৱেণ্টি ৰাষ্ট্ৰগোষ্ঠীৰ সদস্য দেশসমূহৰ ৯৫ গৰাকী প্ৰতিনিধিৰ লগতে ১০খন আমন্ত্ৰিত দেশৰ আৰু ১৪টা আন্তঃৰাষ্ট্ৰীয় সংস্থাৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। দুদিনীয়া কাৰ্যসূচীৰে আয়োজিত এই বৈঠকৰ চাৰিটা সত্ৰত জলবায়ু পৰিৱৰ্তনৰ সমস্যাৰ সন্মুখীন হোৱাৰ বাবে সময়মতে পৰ্যাপ্ত উৎস, বহনক্ষম উন্নয়নৰ বাবে পুঁজি সংগ্ৰহ আৰু বহনক্ষম উন্নয়নৰ সমগ্ৰ তন্ত্ৰৰ বাবে সামৰ্থ্য বৃদ্ধি আদি বিষয় লৈ আলোচনা কৰা হ'ব। বৈঠকৰ অন্তত কালি প্ৰথম দিনা বিয়লি প্ৰতিনিধিবৰ্গৰ সন্মুখত ব্ৰহ্মপুত্ৰৰ বালিচৰত সাংস্কৃতিক অনুষ্ঠান প্ৰদৰ্শনৰ দিহা কৰা হয়।

0000000000

আৰক্ষী সঞ্চালকপ্ৰধান জি পি সিঙে অসম আৰক্ষীৰ মুখ্য কাৰ্যালয় আৰু ৰাজ্যৰ সকলোবোৰ আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ত প্ৰতিদিনাই একোজনকৈ বিষয়া উপস্থিত থাকিবলৈ নিৰ্দেশ দিছে। বিষয়াগৰাকীয়ে পুৱা

চাৰে ১১ বজাৰ পৰা বিয়লি ডেৰ বজালৈ উপস্থিত থাকি ৰাইজৰ সৈতে মত বিনিময় কৰি তেওঁলোকৰ অভাৱ অভিযোগসমূহ নিৰাময়ৰ ব্যৱস্থা কৰিব লাগিব। এটা প্ৰেছ বিজ্ঞপ্তিত তেওঁ কয় যে জৰুৰী অৱস্থাৰ বাহিৰে অন্যান্য দিনত আৰক্ষী অধীক্ষকসকলৰ অধীনত থকা স্থানসমূহত নিয়োজিত আৰক্ষীসকলৰ প্ৰতি সপ্তাহত এটা ছুটিৰ দিন বাধ্যতামূলক কৰা হৈছে। অৱশ্যে এই নিয়ম থানা আৰু আৰক্ষী চকীসমূহত ভাৰপ্ৰাপ্ত বিষয়াসকলকে ধৰি **চাৰ্জ পোষ্টত** থকা আন আৰক্ষীৰ ক্ষেত্ৰত প্ৰযোজ্য নহ'ব। তেওঁ লগতে কয় যে অসম আৰক্ষীৰ মুখ্য কাৰ্যালয়কে ধৰি সকলো জিলা, বেটেলিয়ানৰ কাৰ্যালয় আৰু অসম আৰক্ষীৰ অধিনস্থ অন্যান্য সংস্থাসমূহে অহা দুমাহৰ ভিতৰত মীমাংসা নোহোৱাকৈ থকা কৰ্মচাৰীৰ পেন্সন সংক্ৰান্তীয় কাম-কাজসমূহ নিস্পত্তি কৰাটো নিশ্চিত কৰিব লাগিব। সমান্তৰালকৈ জিলা বেটেলিয়ানসমূহৰ লগতে আৰক্ষীৰ আন সংস্থাসমূহত সকলো মহিলা আৰক্ষীৰ বাবে পৃথক শৌচালয়ৰ ব্যৱস্থা কৰা হ'ব বুলিও আৰক্ষী সঞ্চালকপ্ৰধানগৰাকীয়ে বিজ্ঞপ্তিটোত প্ৰকাশ কৰে।

oooooooooo

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন তথা তিনিচুকীয়া জিলাৰ অভিভাৱক মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে কালি খাদ্য আৰু অসামৰিক যোগান তথা গ্ৰামোন্নয়ন বিভাগৰ বিষয়াসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত বৈঠকত মন্ত্ৰীগৰাকীয়ে খাদ্য সুৰক্ষা আইনৰ অধীনত জিলাখনত ৰেচন কাৰ্ডৰ বাবে হিতাধিকাৰী নিৰ্বাচন সন্দৰ্ভত বিতংভাৱে আলোচনা কৰে। হিতাধিকাৰী নিৰ্বাচন প্ৰক্ৰিয়া সুচাৰুপে সম্পন্ন কৰাৰ লগতে প্ৰতিগৰাকী যোগ্য হিতাধিকাৰীয়ে যাতে ৰেচন কাৰ্ড লাভ কৰে তাৰ বাবে সংশ্লিষ্ট বিভাগক যাৱতীয় পদক্ষেপ ল'বলৈ তেওঁ নিৰ্দেশ দিয়ে। জিলাখনৰ ধান ক্ৰয়ৰ অগ্ৰগতি সম্পৰ্কেও তেওঁ বুজ লয়। জিলাখনৰ কেওটা উন্নয়ন খণ্ডতে ৰূপায়ণ হৈ থকা অমৃত সৰোবৰ আঁচনিৰ অধীনত পুখুৰী খনন আৰু প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীনৰ অগ্ৰগতি সম্পৰ্কেও মন্ত্ৰীগৰাকীয়ে আলোচনা কৰে। প্ৰতিগৰাকী খণ্ড উন্নয়ন বিষয়াক কাম-কাজসমূহ নিৰ্ধাৰিত সময়ৰ ভিতৰত সঠিকভাবে তথা খৰতকীয়াকৈ সম্পূৰ্ণ কৰিবলৈ মন্ত্ৰী শ্ৰীদাসে আহ্বান জনায়। এই পৰ্যালোচনা বৈঠকত শ্ৰম আৰু চাহ জনজাতি কল্যাণ মন্ত্ৰী সঞ্জয় কিষাণ, শদিয়া আৰু মাৰ্ঘেৰিটাৰ বিধায়ক ক্ৰমে বলিন চেতিয়া আৰু ভাস্কৰ শৰ্মাকে ধৰি কেইবাগৰাকীও বিধায়কৰ লগতে জিলা প্ৰশাসনৰ অন্যান্য বিষয়াসকল উপস্থিত থাকে।

oooooooooo

কেন্দ্ৰীয় চৰকাৰে আন্তঃগাঁথনি আৰু কল্যাণমূলক আঁচনি নিৰ্মাণত বিনিয়োগৰ বাবে ৰাজ্য চৰকাৰসমূহক আৰু এবছৰৰ বাবে ৫০ বছৰীয়া সুদমুক্ত ঋণ অব্যাহত ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ২০২৩-২৪ বৰ্ষৰকেন্দ্ৰীয় বাজেটত চৰকাৰে ইয়াৰ বাবে ১ লাখ ৩০ হাজাৰ কোটি টকা ব্যয়ৰ প্ৰস্তাৱ লৈছে বুলি বিত্তমন্ত্ৰী নিৰ্মালা সীতাৰমণে প্ৰকাশ কৰিছে। নতুন দিল্লীত উদ্যোগ সংস্থা FICCI-ৰ সৈতে হোৱা বাৰ্তালাপত শ্ৰীমতী সীতাৰমণে কয় যে ২০২৩-২৪ বিত্তীয় বৰ্ষত ৰাজ্যসমূহক সুদমুক্ত ঋণৰ বাবে ১ লাখ কোটি টকা নিৰ্ধাৰণ কৰা হৈছে আৰু অহা বিত্তীয় বৰ্ষৰ বাবে আৰু ৩০ হাজাৰ কোটি টকা আবণ্টন দিয়া হৈছে। তেওঁ কয় যে ইয়াৰ ভিতৰত ৮০ শতাংশ পুঁজিৰ ব্যৱহাৰ ৰাজ্যসমূহে নিজৰ প্ৰয়োজন অনুসৰি কৰিব আৰু ২০ শতাংশ ধন **এখন ৰাষ্ট্ৰ এখন ৰেচন কাৰ্ড**ৰ দৰে কল্যাণমূলক আঁচনিসমূহৰ বাবে ব্যৱহাৰ কৰা হ'ব।

oooooooooo

ভাৰত আজি বাংলাদেশৰ ঢাকাত হ'বলগীয়া মহিলাৰ ২০ বছৰ অনূৰ্ধৰ চাফ চেম্পিয়নশ্বীপৰ প্ৰথমখন খেলত ভুটানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। একেদৰে ফুটবল প্ৰতিযোগিতাখনৰ আজি হ'বলগীয়া আন এখন খেলত আয়োজক দেশ বাংলাদেশ নেপালৰ সন্মুখীন হ'ব। প্ৰতিযোগিতাৰ আটাইকেইখন খেল ঢাকাৰ বীৰ শ্ৰেষ্ঠ শ্বহীদ চিপাহী মোস্তাফা কামাল ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। চাৰিটা দলৰ মাজত ৰাউণ্ড ৰবীন পদ্ধতিৰে হ'বলগীয়া খেলসমূহৰ পাছত শীৰ্ষ দুটা দলে অহা ৯ ফেব্ৰুৱাৰীত প্ৰতিযোগিতাৰ ফাইনেলত মুখামুখি হ'ব। ভাৰত অহা ৫ ফেব্ৰুৱাৰীত বাংলাদেশ আৰু ৭ ফেব্ৰুৱাৰীত নেপালৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০০০০

বাল্য বিবাহৰ বিৰুদ্ধে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশ মৰ্মে আজি অসম আৰক্ষীয়ে আৰম্ভ কৰিবলগীয়া অভিযান আৰু গুৱাহাটী জি-টুৱেণ্টি সন্মিলন আৰম্ভৰ বাতৰি দুটা আজি গুৱাহাটীৰ পৰা প্ৰকাশিত আটাইকেইখন কাকতৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

*দৈনিক অসম কাকতে* অসম সাহিত্য সভাৰ নাৰায়ণপুৰৰ অধিৱেশনক লৈ প্ৰস্তুত কৰা এটা বাতৰি **নতুন সভাপতিক আদৰিবলৈ সাজু** শীৰ্ষক শিৰোনামেৰে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰিৰ স্থান দিছে।

আমি নিতৌ গ্ৰহণ কৰা খাদ্যত কীটনাশকৰ উপস্থিতিত ধৰা পেলাইছে কেন্দ্ৰীয় কৃষি গৱেষণা প্ৰতিষ্ঠানে। ৩৪ বিধ শাক-পাচলিৰ নমুনাত ধৰা পৰিছে কেডমিয়ামৰ উপাদান। কেচা জলকীয়াত অত্যধিক পৰিমাণৰ ৰাসায়নিক উপাদানৰ উপস্থিতি ধৰা পৰিছে। গুৱাহাটী উচ্চ ন্যায়ালয়ত এই সন্দৰ্ভত ৰুজু হোৱা এটা গোচৰৰ বাতৰি অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰিৰ স্থান দিছে। বতৰিটোৰ শিৰোনাম - **ৰাজ্যত খাদ্যৰ নামত বৰবিহ, শাক-পাচলি, ধান, চাহপাতত বিষাক্ত দ্ৰব্য।**

গৌতম আদানিক ঋণ প্ৰদানৰ  সন্দৰ্ভত ৰিজাৰ্ভ বেংকে তদন্ত আৰম্ভ কৰিছে। ছেবিয়ে আদানি গ্ৰুপৰ শ্বেয়াৰ পৰীক্ষা কৰিছে। আদানি গ্ৰুপৰ শ্বেয়াৰ জালিয়াতিক লৈ উত্তাল হৈছে সংসদ – আদানি গ্ৰুপৰ শ্বেয়াৰ কেলেংকাৰী এই বাতৰিটো আজি দৈনিক জনমভূমি, আমাৰ অসম, দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

গেৰুকামুখৰ নদীবান্ধ প্ৰকল্প ২০২৩ চনত কাৰ্যক্ষম হৈ উঠাৰ  এটা বাতৰি গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে নিয়মীয়া বাৰ্তা কাকতে। বাতৰিটোৰ শিৰোনাম- **৮৪ শতাংশ সম্পূৰ্ণ, ২০২৩ চনতেই কাৰ্যক্ষম হৈ উঠিব গেৰুকামুখ প্ৰকল্প।**

কৃষ্ণকান্ত সন্দিকৈ মুক্ত ৰাজ্যিক বিশ্ববিদ্যালয়ৰ পৰা ৭৫ বছৰীয়া এগৰাকী ব্যক্তিয়ে স্নাতোকোত্তৰ ডিগ্ৰী অৰ্জন কৰা এটা বাতৰি অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। বাতৰিৰ শিৰোনাম - **দুধনৈৰ ৭৫ বছৰীয়া দণ্ডী নাথ ৰাভাৰ স্নাতকোত্তৰ ডিগ্ৰী অৰ্জন।**

*দি আছাম ট্ৰিবিউন কাকতে* জলবায়ুৰ পৰিৱৰ্তন সন্দৰ্ভত গুৱাহাটীত অনুষ্ঠিত জি-টুৱেণ্টি সন্মিলনৰ সময়ত মহানগৰখনত দীৰ্ঘদিন ধৰি বৰষুণ নোহোৱা এটা বাতৰি প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। *দা ছেণ্টিনেল কাকতে* আৰক্ষী সঞ্চালকপ্ৰধান জি পি সিঙে ৰাজ্যৰ প্ৰতিখন জিলা আৰক্ষী অধীক্ষক লৈ দিয়া নিৰ্দেশনাৰ এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০০০০০

**সমাপ্ত**